**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-12-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি ওড়িশাত ৩২৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ আৰু ৬-লেনযুক্ত নাছিক-চোলাপুৰ কৰিড'ৰ প্ৰকল্পৰ বাবে অনুমোদন দিয়ে।

২। চৰকাৰে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ১০০ মিলিগ্ৰামৰ অধিক নিমেছুলাইডযুক্ত সকলো ঔষধৰ প্ৰস্তুত, বিক্ৰী আৰু বিতৰণৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে।

৩। সমগ্ৰ বিশ্বই আজি মাজনিশা ১২ বজাৰ লগে লগে এটা নতুন বছৰক আদৰিবলৈ সাজু হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০২৬ বৰ্ষৰ প্ৰাক্-ক্ষণত দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। এম জি এনৰেগাত নিয়োজিত শ্ৰমিকসকলৰ কাম নতুনকৈ ৰূপায়ণ কৰা ভি বি - জি ৰাম জি ২০২৫ৰ অধীনত সম্পূৰ্ণ সুৰক্ষিত বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

*আৰু*

৫। কেইবাহাজাৰ লোকৰ উপস্থিতিত ঢাকাৰ মানিক মিয়া এভিনিউত আজি বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

0000000

কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি ওড়িশাত ৩২৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ আৰু ৬-লেনযুক্ত নাছিক-চোলাপুৰ কৰিড'ৰ প্ৰকল্পৰ বাবে অনুমোদন দিয়ে। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেন্দ্ৰীয় মন্ত্ৰীসভাই মহাৰাষ্ট্ৰত ৬-লেনযুক্ত নাছিক-চোলাপুৰ-আক্কালকোট কৰিড'ৰ প্ৰকল্পত অনুমোদন দিছে। ১৯ হাজাৰ ১৪২ কোটি টকা মূলধনী ব্যয়েৰে ৩৭৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ঘাইপথটো নিৰ্মাণ কৰা হ'ব। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই প্ৰকল্পই কুৰ্নুলক সংযোগ কৰা নাছিক, অহিল্যানগৰ আৰু চোলাপুৰৰ লেখিয়া গুৰুত্বপূৰ্ণ নগৰসমূহত যোগাযোগ ব্যৱস্থা উন্নত কৰিব।

এই ৬-লেনযুক্ত ঘাইপথ প্ৰকল্পই যাত্ৰাৰ সময় আনুমানিক ১৭ ঘণ্টা হ্ৰাস কৰিব। এই প্ৰকল্পই ২৫১ লাখ ৬ হাজাৰ প্ৰত্যক্ষ নিয়োগৰ লগতে ৩১৩ লাখ ৮৩ হাজাৰ পৰোক্ষ নিয়োগ সুযোগ প্ৰদান কৰিব।

কেন্দ্ৰীয় মন্ত্ৰীসভাই লগতে ওড়িশাৰ ৩২৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সম্প্ৰসাৰণৰ বাবেও অনুমোদন দিয়ে। এই প্ৰকল্পৰ বাবে এহেজাৰ ৫২৬ কোটি ২১ লাখ টকা ব্যয় কৰা হ'ব। শ্ৰীবৈষ্ণৱে কয় যে ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ প্ৰকল্পৰ জৰিয়তে যাতায়াত অধিক দ্ৰুত, সুৰক্ষিত আৰু অধিক নিৰ্ভৰযোগ্য কৰি তুলিব। মন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰ জৰিয়তে গজপতি, ৰায়গড় আৰু কোৰাপুত জিলাকেইখন অধিক লাভান্বিত হ'ব। উন্নত পথ যোগাযোগ ব্যৱস্থাই স্থানীয় যোগাযোগ, উদ্যোগ, শিক্ষা প্ৰতিষ্ঠান আৰু পৰ্যটন কেন্দ্ৰসমূহৰ বাবে বজাৰ, স্বাস্থ্য যতন আৰু নিয়োগ সুযোগ প্ৰদান কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

0000000

চৰকাৰে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত ছত্তিশগড়ৰ গ্ৰাম্য স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ বাবে ২২৪ কোটিৰো অধিক পুঁজি মোকলাই দিছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ৰাজ্যখনৰ ২৬খন জিলা পৰ্যায়ৰ ১৩৮টা খণ্ড পঞ্চায়ত আৰু ১১ হাজাৰ ২৭৯খন গাঁও পঞ্চায়তৰ বাবে আনটাইড পুঁজিৰ এই প্ৰথমটো কিস্তি মোকলাই দিয়া হৈছে।

000000000

চৰকাৰে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ১০০ মিলিগ্ৰামৰ অধিক নিমেছুলাইডযুক্ত সকলো ঔষধৰ প্ৰস্তুত, বিক্ৰী আৰু বিতৰণৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আজি এটা নিৰ্দেশযোগে এই কথা প্ৰকাশ কৰে। ঔষধৰ কাৰিকৰী পৰামৰ্শদাতা পৰিষদৰ পৰামৰ্শ অনুসৰি ঔষধ আৰু কছমেটিক্‌চ আইন ১৯৪০ৰ ২৬ **ক** ধাৰাৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। অধিক পৰিমাণে নিমেছুলাইডযুক্ত ঔষধ সেৱনে মানুহৰ জীৱনলৈ বিপদ নমাই আনিব পাৰে বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। নিৰ্দেশটোত লগতে নিমেছুলাইডৰ পৰিৱৰ্তে বজাৰত উপলব্ধ আন নিৰাপদ বিকল্প ঔষধ সেৱন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে।

০০০০০০০

সমগ্ৰ বিশ্বই আজি মাজনিশা ১২ বজাৰ লগে লগে এটা নতুন বছৰক আদৰিব। নতুন বছৰটো আদৰাৰ বাবে প্ৰান্তে প্ৰান্তে উচাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০২৬ বৰ্ষৰ প্ৰাক্‌-ক্ষণত দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে নতুন বৰ্ষই নতুন শক্তি আৰু ইতিবাচক পৰিৱৰ্তনক সূচায় আৰু নতুন সংকল্পৰে আগবাঢ়ি যোৱাৰ সুযোগ দিয়ে। শ্ৰীমতী মুৰ্মুৱে নতুন বছৰটোত সকলোকে ৰাষ্ট্ৰৰ উন্নয়ন, সমাজৰ একতা তথা পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ২০২৬ বৰ্ষটোৱে সকলোৰে জীৱনলৈ শান্তি, সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনি এখন শক্তিশালী আৰু সমৃদ্ধ দেশ গঢ়াৰ শক্তি প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাত নতুন অধ্যায়ৰ সূচনা কৰি চৰকাৰে চলিত বৰ্ষত ভালেমান ঐতিহাসিক সংস্কাৰৰ পদক্ষেপ লৈছে বুলি তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী এল মুৰুগানে প্ৰকাশ কৰিছে। নতুন দিল্লীত ইংৰাজী ২০২৬ বৰ্ষৰ দিনপঞ্জী মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সৰ্বাত্মক বিকাশ, অৰ্থনীতিৰ স্থিতিস্থাপকতা গুণৰ সুদৃঢ়কৰণ আৰু দেশৰ দীৰ্ঘকালীন উন্নয়নৰ বাবে স্থায়ী ভেটি গঢ়াৰ স্পষ্ট লক্ষ্যৰে এই সংস্কাৰসমূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ সচিব সঞ্জয় জাজুই কয়, যে দিনপঞ্জীখনৰ আৰ্হিত অতি সতৰ্কতাৰে প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ জৰিয়তে চৰকাৰৰ বিভিন্ন অগ্ৰাধিকাৰসমূহ ফুটাই তোলা হৈছে।

০০০০০০০

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, এম জি এনৰেগাত নিয়োজিত শ্ৰমিকসকলৰ কাম নতুনকৈ ৰূপায়ণ কৰা বিকশিত ভাৰত - গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান আইন, ভি বি - জি ৰাম জি ২০২৫ৰ অধীনত সম্পূৰ্ণ সুৰক্ষিত বুলি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। সমগ্ৰ দেশৰে এম জি এনৰেগাত সেৱা আগবঢ়োৱা প্ৰতিনিধিসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মত-বিনিময় অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। আলোচনা কালত সকলোৱে নতুন আইনখনক স্বাগতম জনায়। শ্ৰমিকসকলৰ বেতন সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীচৌহানে নতুন পৰিকাঠামোৰ ভিতৰত বেতন বৃদ্ধিৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে কয় যে প্ৰশাসনিক মুৰববীৰ অধীনত চিলিং ব্যয় পূৰ্বৰ ৬ৰ পৰা ৯ শতাংশলৈ বৃদ্ধি কৰা হৈছে। আজিৰ মত বিনিময় অনুষ্ঠানত দেশৰ ৪৫ হাজাৰৰো অধিক স্থানৰ পৰা ২ লাখৰো অধিক এম জি এনৰেগাৰ কৰ্মীসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

ঢাকাৰ মানিক মিয়া এভিনিউত আজি বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ অধ্যক্ষা বেগম খালেদা জিয়াৰ অন্ত্যেষ্টিক্ৰিয়াৰ অনুষ্ঠানত কেইবাহাজাৰ লোকে অংশগ্ৰহণ কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্‌ জয়শংকৰকে ধৰি নেপাল, শ্ৰীলংকা, পাকিস্তান আৰু দক্ষিণ আৰু দক্ষিণ-পূব এছীয় দেশসমূহৰ প্ৰতিনিধিসকলে অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠানত ভাগ লৈ দেশখনৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। ড০ জয়শংকৰে জাতীয় সংসদ ভৱনত বি এন পিৰ ভাৰপ্ৰাপ্ত সভাপতি তাৰিক ৰহমানক সাক্ষাৎ কৰি তেওঁৰ হাতত শোকবাৰ্তা অৰ্পণ কৰে।

কালি দেহাৱসান ঘটা বাংলাদেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী খালেদা জিয়াৰ নশ্বৰ দেহ আজি দুপৰীয়াৰ ভাগত দেশখনৰ সংসদ ভৱন চৌহদলৈ অনা হয়। বি এন পিৰ সদস্য নজৰুল উছলাম খানে দলৰ হৈ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ

জীৱনৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰে। পাছত মাণিক মিয়া এভিনিউত আজি আৰক্ষী আৰু সশস্ত্ৰ সেনা বাহিনীৰ কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত খালেদা জিয়াৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শনিবাৰে নতুন দিল্লীত ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। উনবিংশ শতিকাৰ শেষ ভাগত আৱিষ্কৃত পিপৰহৱা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। এই অৱশেষৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন আৰু ৰাজহুৱা প্ৰদৰ্শনীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বুদ্ধৰ শিকণিসমূহত নিহিত শান্তি, কৰুণা আৰু জ্ঞানৰ সাৰ্বভৌম প্ৰমূল্যৰাজি প্ৰসাৰৰ নিৰন্তৰ প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ে এই প্ৰদৰ্শনীক দেশৰ সাংস্কৃতিক আৰু কূটনৈতিক ইতিহাসৰ এটা উল্লেখযোগ্য ক্ষণ বুলি অভিহিত কৰিছে। বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এই অৱশেষক বিশেষ সন্মান দি আহিছে। সাংস্কৃতিক মন্ত্ৰালয়ে পদ্মালোকঃ আধ্যাত্মিক ভাৱে জাগ্ৰত ব্যক্তিৰ অৱশেষ নামেৰে আয়োজন কৰা এই সাস্কৃতিক প্ৰদৰ্শনীত পিপৰহৱা অৱশেষৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ – চি বি এছ ইয়ে ইয়াৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সংশোধিত দিন-বাৰ ঘোষণা কৰিছে। চি বি এছ ইয়ে প্ৰকাশ কৰা মতে দশম শ্ৰেণীৰ পৰীক্ষা ৩ মাৰ্চৰ পৰিৱৰ্তে ১১ মাৰ্চত আৰম্ভ হ'ব। একেদৰে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা নতুন সূচী অনুযায়ী ৩ মাৰ্চৰ পৰিৱৰ্তে ১০ এপ্ৰিলৰ পৰা অনুষ্ঠিত হ'ব। প্ৰশাসনিক কাৰণত পৰীক্ষাৰ সূচী সলনি কৰা হৈছে বুলি চি বি এছ ইয়ে প্ৰকাশ কৰিছে। পৰিষদে লগতে বিদ্যালয়সমূহক সংশ্লিষ্ট শিক্ষাৰ্থী আৰু অভিভাৱকসকলক এই বিষয়ে অৱগত কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

মণিপুৰত আজি উলহ-মালহেৰে ইমোইনু এৰাট্পা উৎসৱ পালন কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যখনৰ মেইটেই সম্প্ৰদায়সকলে প্ৰতি বছৰে এই উৎসৱ পালন কৰে আৰু ইমোইনু দেৱীক সমৃদ্ধি আৰু সম্পদৰ দেৱী হিচাপে পূজা-অৰ্চনা কৰে। এই উদযাপনৰ অংশ হিচাপে প্ৰতিটো পৰিয়ালে বিয়লিৰ ভাগত সতেজ মাছৰ লগতে বিভিন্ন শাক-পাচলি, ফল-মূল আৰু ফুল আগবঢ়ায়। ইয়াৰ পাছত ইমোইনু দেৱীলৈ বিভিন্ন খাদ্য সম্ভাৰ আগবঢ়াই প্ৰাৰ্থনা কৰা হয়।

০০০০০০০

সমাপ্ত